
31/08/2023




# প্ৰতিবেদন

বিষয়

বাল্য বিবাহ প্ৰতিৰোধৰ সজাগতা সভা

স্থান

কাজাইখাতা পিপল'স মাল্টিপল একাডেমি হাইস্কুল

আয়োজক

অসমীয়া বিভাগ, বিলাসীপাৰা মহাবিদ্যালয়

আভ্যন্তৰীণ মান নিৰূপক কোষ, বিলাসীপাৰা মহাবিদ্যালয়

বিলাসীপাৰা, ধুবুৰী, অসম

অনুষ্ঠানৰ বিৱৰণঃ

সমাজত ভয়াবহ ৰূপ ধাৰণ কৰা বাল্য বিবাহ প্ৰতিৰোধৰ বাবে সজাগতা সভাৰ আয়োজন কৰা হয়।

তাৰিখঃ ৩১ আগষ্ট, ২০২৩।

সময়ঃ দিনৰ ১ বজাৰ পৰা।

স্থানঃ কাজাইখাতা পিপল'স মাল্টিপল একাডেমি হাইস্কুল।

উপকৃত হোৱাসকলঃ কাজাইখাতা পিপল'স মাল্টিপল একাডেমি হাইস্কুলৰ সমূহ ছাত্ৰ-ছাত্ৰী।

অংশগ্ৰহণকাৰীঃ কাজাইখাতা পিপল'স মাল্টিপল একাডেমি হাইস্কুলৰ সমূহ শিক্ষক-ছাত্ৰ-ছাত্ৰী, বিলাসীপাৰা মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক আহমেদ গোলাম ছোৱোৱাৰ, অধ্যাপক ডঃ আজিজুৰ ৰহমান চৰকাৰ, অধ্যাপিকা বিভা ৰাণী নাথ আৰু ইংৰাজী বিভাগৰ অধ্যাপক ডঃ ইদ্ৰিছ আলী আহমেদ।

প্ৰতিবেদনঃ

বাল্য বিবাহ বিৰোধী সজাগতা সভাৰ বিশেষ প্ৰতিবেদন

আয়োজক: অসমীয়া বিভাগ আৰু আভ্যন্তৰীণ মান নিৰূপক কোষ

বিলাসীপাৰা মহাবিদ্যালয়

তাৰিখ: ৩১ আগষ্ট, ২০২৩।

বিলাসীপাৰা মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ উদ্যোগত আৰু মহাবিদ্যালয়ৰ আভ্যন্তৰীণ মান নিৰূপক কোষৰ সহযোগত যোৱা ৩১ আগষ্ট, ২০২৩ তাৰিখে কাজাইকাটা পিপলচ্ মাল্টিপল একাডেমী নামৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়খনিত বাল্যবিবাহ বিৰোধী এখনি সজাগতা সভা অনুষ্ঠিত হয়। অনুষ্ঠানটিত বিলাসীপাৰা মহাবিদ্যালয়ৰ চাৰিগৰাকী শিক্ষকৰ এটি দল আৰু একাডেমীখনৰ সমূহ শিক্ষক আৰু ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে। সেইদিনা দিনৰ ১২.৩০ বজাত বিলাসীপাৰা মহাবিদ্যালয়ৰ শিক্ষকৰ দলটি উক্ত শিক্ষা প্ৰতিষ্ঠানখনত উপনীত হয় আৰু ১.০০ বজাৰ লগে লগে সজাগতা সভাৰ কাম আৰম্ভ হয়।

সজাগতা সভাখনত সভাপতিৰ আসন শুৱনি কৰে কাজাইকাটা পিপলচ্ মাল্টিপল একাডেমীৰ বিদ্যায়তনিক ভাৰপ্ৰাপ্ত শিক্ষক শ্বৰীফ উদ্দিন আহমেদে। মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ তৰফৰ পৰা তেখেতক এখনি ফুলাম গামোচাৰে সম্বৰ্ধনা জনোৱা হয়। সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে বিলাসীপাৰা মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ সহযোগী অধ্যাপক ডঃ আজিজুৰ ৰহমান চৰকাৰে। সভাত বাল্যবিবাহৰ ভয়াবহতা সম্পৰ্কে বিলাসীপাৰা মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ বিভাগীয় প্ৰধান আহমেদ গোলাম ছোৱোৱাৰে সাৰগৰ্ভ আৰু মূল্যবান ভাষণ

আগবঢ়ায়। ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশ্যি তেখেতে জীৱনৰ ধৰ্ম আৰু কৰ্ম সম্পৰ্কীয় অত্যাৱশ্যকীয় বিষয়সমূহ সাৱলীল ভাষাৰে অভিব্যক্ত কৰে।

সজাগতা সভাখনিত এটি গুৰুত্বপূৰ্ণ বিষয় হিচাপে POSCO আইন সম্পৰ্কে বক্তব্য প্ৰদান কৰে ইংৰাজী বিভাগৰ সহকাৰী অধ্যাপক ডঃ ইদ্ৰিছ আলী আহমেদে। POSCO আইনৰ সাম্প্ৰতিক জনপ্ৰিয়তা সন্দৰ্ভতো তেখেতে নিজৰ মত আগবঢ়ায়।

'বাল্যবিবাহ আৰু নাৰীৰ স্বাস্থ্য' বিষয়ক বক্তব্য আগবঢ়ায় অসমীয়া বিভাগৰ সহকাৰী অধ্যাপক বিভা ৰাণী নাথে। বাল্যবিবাহে নাৰীৰ স্বাস্থ্য আৰু ভৱিষ্যৎ প্ৰজন্মৰ স্বাস্থ্যৰ লগতে সমগ্ৰ পৃথিৱীৰেই স্বাস্থ্যৰ ওপৰত কিদৰে সৰ্বনাশী প্ৰভাৱ পেলাব পাৰে সেই সম্পৰ্কে তেখেতে নিজৰ মন্তব্য দাঙি ধৰে।

সজাগতা সভাখনিত ছাত্ৰ-ছাত্ৰীৰ সঁহাৰি আছিল অতি সন্তোষজনক। সভাপতিৰ বক্তব্যই বাল্যবিবাহৰ ভয়াবহতা আৰু নাৰীৰ স্বাস্থ্যজনিত ৰোগৰ বিভিন্ন দিশত পোহৰ পেলাবলৈ সক্ষম হয়।


সভাৰ শেষত সকলোকে ধন্যবাদ আৰু কৃতজ্ঞতা জনাই শলাগৰ শৰাই আগবঢ়ায় ডঃ আজিজুৰ ৰহমান চৰকাৰে। আৰু ইয়াৰ লগে লগে সফল পৰিসমাপ্তিৰে বাল্যবিবাহ বিৰোধী সজাগতামূলক অনুষ্ঠানটিৰ অন্ত পৰে।


আহমেদ গোলাম ছোৱোৱাৰ
আহ্বায়ক
বাল্যবিবাহ বিৰোধী সজাগতা সভা
বিলাসীপাৰা মহাবিদ্যালয়
অসমীয়া বিভাগ


বিভা ৰাণী নাথ
বিভা ৰাণী নাথ
প্ৰতিবেদক

Principal
Bilasipara College


AWARENESS PROGRAMME
GPS Map Camera
Kazaikata Pt.V, Assam, India
55RW+4PH, Kazaikata Pt.V, Assam 783348, India
Lat 26.190425°
Long 90.196501°
31/08/23 01:34 PM GMT +05:30
Google


GPS Map Camera
Kazaikata Pt.V, Assam, India
55RW+4PH, Kazaikata Pt.V, Assam 783348, India
Lat 26.19035°
Long 90.196642°
31/08/23 02:56 PM GMT +05:30
Google


GPS Map Camera
Kazaikata Pt.V, Assam, India
Kazaikata, 55RX X3V, Kazaikata Pt.V, Assam 783348, India
Lat 26.189902°
Long 90.197362°
31/08/23 02:54 PM GMT +05:30
Google


GPS Map Camera
Kazaikata Pt.V, Assam, India
55RW+4PH, Kazaikata Pt.V, Assam 783348, India
Lat 26.190441°
Long 90.196461°
31/08/23 01:33 PM GMT +05:30
Google